জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫১৯/২০২০

শদিয়াৰ কুণ্ডিল নৈৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থা পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

দিছপুৰ, ৩১ জুলাই ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ শদিয়া মহকুমাৰ কুণ্ডিল নদীয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সৃষ্টি কৰা খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থাৰ চৰজমিন বুজ লয়। উল্লেখ্য যে এই নদীৰ বানে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে এখন দলঙলৈ ভাবুকি কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগে জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজৰ সহযোগত লোৱা তৎপৰ পদক্ষেপৰ বাবে সম্প্ৰতি এতিয়া বিপদমুক্ত হৈছে।

পৰিদৰ্শনৰ সময়ত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কুণ্ডিল নদীৰ খহনীয়াই অসমৰ সৈতে অৰুণাচল প্ৰদেশৰ যাতায়ত তথা যোগাযোগ ব্যৱস্থাক এইবাৰ সম্পূৰ্ণৰূপে নিচিহ্ন কৰাৰ সম্ভাৱনাৰ সৃষ্টি কৰিছিল। এইখহনীয়া ৰোধ কৰাৰ বাবে অসম চৰকাৰৰ জলসম্পদ বিভাগে জিলা প্ৰশাসন তথা স্থানীয় ৰাইজৰ সহযোগত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ ফলশ্ৰুতিত দলংখনৰ লগতে পথছোৱা ৰক্ষা কৰাতো সম্ভৱ হৈ উঠিল। এই দিশত স্থানীয় বিধায়ক বলিন চেতিয়া আৰু সাংসদ প্ৰদান বৰুৱাই তৎপৰতাৰে উদ্যোগ লৈছে। বছৰৰ তৃতীয়টো বানে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইবাৰৰ বানত অসমৰ ২৮ খন জিলা ক্ষতিগ্ৰস্ত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই বাৰৰ বান তথা ভূমিস্খলনত ৰাজ্যখনৰ কেইবাগৰাকীও ব্যক্তিয়ে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। খহনীয়াৰ ফলত বিভিন্ন জিলাৰ জনসাধাৰণৰ খেতি-বাতি তথা সা-সম্পত্তি হেৰুৱাব লগাত পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসম চৰকাৰৰ তৰফৰ পৰা ভঙা মথাউৰি তথা খহনীয়া প্ৰতিৰোধৰ বাবে ৰাইজৰ সহযোগত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। আগন্তুক দিনত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে যৌথভাৱে ব্যৱস্থা গ্ৰহণ কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আন্তৰিকতাৰে গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে নিটি আয়োগৰ উপাধ্যক্ষৰ নেতৃত্বত গঠন কৰা উচ্চপৰ্যায়ৰ কমিটিয়ে বানপানী আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দিশত সহায়ক হোৱাকৈ উত্তৰ পূব বান ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। এই সংক্ৰান্তীয় এখন অধ্যাদেশ আগন্তুক সংসদৰ অধিৱেশনত গৃহীত কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব আৰু ইয়াৰ ফলত অসমৰ দীৰ্ঘদিনীয়া বান আৰু গৰাখনীয়া সমস্যাৰ স্থায়ী সমাধান সম্ভৱ হৈ উঠিব বুলিও তেওঁ কয়। স্বাধীনতাৰ ৭২ বছৰৰ ভিতৰত প্ৰধানমন্ত্ৰী পৰ্যায়ত এই সমস্যা সমূহৰ স্থায়ী সমাধানৰ বাবে গঠন হোৱা এইখনেই প্ৰথম সমিতি বুলি তেওঁ কয়। ইয়াৰ জৰিয়তেহে আগন্তুক দিনত ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দিশত অগ্ৰসৰ হ'ব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদদ্বয় ক্ৰমে ৰামেশ্বৰ তেলী, প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে বলীন চেতিয়া, ঋতুপৰ্ণ বৰুৱা, চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা, তেৰছ গোৱালা, ভাস্কৰ শৰ্মা, সুৰেন ফুকনৰ লগতে জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

বঃভাঃ / পুঃডেঃ
৩১/০৭/২০২০